জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১০/২০২১

# মাজুলীৰ ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন বিভাগৰ আঁচনিসমূহৰো অগ্ৰগতিৰ খতিয়ান ল'লে মুখ্যমন্ত্ৰীয়ে

## কাইলৈৰ পৰা জিলাখনৰ প্ৰতিটো প্ৰৱেশ পথত ক'ভিড পৰীক্ষা বাধ্যতামূলক কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## আগন্তুক বাৰিষাৰ পূৰ্বে বিপদ সংকুল মথাউৰিসমূহৰ মেৰামতি সম্পূৰ্ণ কৰি তোলাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৩ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলী জিলাৰ সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰি জিলা উপায়ুক্ত বিক্ৰম কৈৰীৰ লগতে জিলাখনৰ জ্যেষ্ঠ বিষয়াসকলক ক'ভিড-১৯ ৰ সংক্ৰমণ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰৰ দ্বাৰা আৰোপ কৰা বাধা-নিষেধসমূহ জনসাধাৰণে যাতে সঠিকভাৱে মানি চলে সেই দিশত যথোচিত পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়ে।

মাজুলীৰ আৱৰ্ত ভৱনৰ সভাকক্ষত আয়োজিত উক্ত বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্ত তথা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ পৰা জিলাখনৰ বৰ্তমানৰ ক'ভিড ৰোগীৰ সংখ্যা, স্বাস্থ্য বিভাগৰ আন্তঃগাঁথনি, আই চি ইউ, ঔষধ, অক্সিজেনৰ মজুত ইত্যাদিৰ বিতং বুজ লয়। মুখ্যমন্ত্ৰীয়ে ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে ক'ভিড প্ৰট'কলসমূহ জনসাধাৰণে যাতে সঠিকভাৱে পালন কৰে তাৰ বাবে উপযুক্ত সজাগতাৰ সৃষ্টিৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তগৰাকীক জিলাখনত অধিক ক'ভিড পৰীক্ষাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কাইলৈৰ পৰা জিলাখনৰ প্ৰতিটো প্ৰৱেশ পথতে জিলাখনত প্ৰৱেশ কৰা ব্যক্তিসকলৰ ক'ভিড পৰীক্ষা বাধ্যতামূলকভাৱে কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে জিলাখনত বৰ্তমানে ৰূপায়িত হৈ থকা উন্নয়নমূলক আঁচনি সমূহৰ অগ্ৰগতিৰো বুজ লয়। ৰূপায়ণ কৰি থকা আঁচনিসমূহ যাতে সময় সাপেক্ষ তথা গুণগত মানদণ্ড অটুত ৰাখি সম্পন্ন কৰা হয় তাৰ বাবে জিলা উপায়ুক্তক উপযুক্তভাৱে নিৰীক্ষণ কৰাৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। আগন্তুক বাৰিষাৰ পূৰ্বে যাতে মথাউৰিৰ বিপদসংকুল স্থান সমূহ ভালদৰে মেৰামতি কৰি শক্তিশালী কৰা হয় তাৰ বাবে যুদ্ধকালীনভাৱে পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে যোৰাহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতি, জিলাখনত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, পথ নিৰ্মাণৰ খতিয়ান, যোৰহাটৰ লগত ৰোপেক্স ফেৰী সেৱাৰ চলাচল, কৃষি বিভাগৰ

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

কাম-কাজৰো বুজ লয়। জিলাখনত জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয় অতি শীঘ্ৰে স্থাপন কৰা, কাৰ্যালয়সমূহত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকল বাহিৰৰ জিলাৰ পৰা অহা যোৱা নকৰি মাজুলীতে থকাটো বাধ্যতামূলক কৰা আদি দিশৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে।

আজিৰ এই পৰ্যালোচনা বৈঠকত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জিলা উপায়ুক্ত বিক্ৰম কৈৰী, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালককে ধৰি জিলাখনৰ অন্যান্য বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৩/০৫/২০২১**